জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৪৮/২০২৩**

# গুৱাহাটীত বহুজাতিক নিৰ্মাণ প্ৰতিষ্ঠান সুৰ্বানা জুৰঙৰ কৰ্প'ৰেট কাৰ্যালয় মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৫ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বহুজাতিক নিৰ্মাণ প্ৰতিষ্ঠান সুৰ্বানা জুৰঙে দিছপুৰত স্থাপন কৰা কৰ্প'ৰেট কাৰ্যালয়টো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংসহ উত্তৰ পূৰ্বাঞ্চলৰ বহু কেইটা আন্তঃগাঁথনিমূলক প্ৰকল্পৰ সৈতে এই প্ৰতিষ্ঠানটো জড়িত হৈ আছে।

এই উপলক্ষে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে সুৰ্বানা জুৰঙৰ দৰে বহুজাতিক প্ৰতিষ্ঠানে প্ৰথমবাৰৰ বাবে উত্তৰ পূৰ্বাঞ্চলত কৰ্প'ৰেট কাৰ্যালয় স্থাপন কৰাটো এটা অতি গুৰুত্বপূৰ্ণ কথা। গুৱাহাটীত স্থাপিত কাৰ্যালয়টো সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ বাবে এটা অতি উল্লেখনীয় কাৰ্যালয়ত পৰিণত হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'এক ইষ্ট পলিচী'ৰ জৰিয়তে দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ সৈতে সহযোগিতা আৰু যোগাযোগ বৃদ্ধিৰ ফলত সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ জনসাধাৰণক উন্নত জীৱন ধাৰণৰ সমল প্ৰদানৰ লক্ষ্যত উপনীত হ'ব পৰা যাব। ৰাজ্য চৰকাৰৰ তৰফৰ পৰা বহুজাতিক প্ৰতিষ্ঠানটোলৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা হ'ব বুলিও তেওঁ মন্তব্য কৰে। ইয়াৰ পিছত উপস্থিত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰীয়ে কয় যে বহুজাতিক প্ৰতিষ্ঠান সুৰ্বানা জুৰঙৰ কৰ্প'ৰেট কাৰ্যালয়টোত অসমৰ যথেষ্ট সংখ্যক যুৱক-যুৱতীয়ে নিয়োগৰ সুবিধা লাভ কৰিছে। আগন্তুক সময়ত ৰাজ্যখনত অধিক সংখ্যক বহুজাতিক প্ৰতিষ্ঠানে এইদৰে কাৰ্যালয় স্থাপনৰ বাবে আগবাঢ়ি আহিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানত ছিংগাপুৰৰ ভাৰতস্থ উচ্চায়ুক্ত ছিমন ৱং, সুৰ্বানা জুৰঙৰ চীফ অপৰাশ্যেনচ্ অফিচাৰ ড° উমা মহেশ্বৰণ, প্ৰতিষ্ঠানটোৰ কাৰ্যবাহী সঞ্চালক এন্দ্ৰিঅ' মেকিউন, মুখ্যমন্ত্ৰী প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, উদ্যোগ আৰু বাণিজ্য বিভাগৰ সচিব ড° লক্ষ্মণন এছকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**২৫/৩/২০২৩**